
নতুন ৰাষ্ট্ৰীয় শিক্ষানীতি, ২০২০ (NEP-2020) অনুসৰি
ডিব্ৰুগড় বিশ্ববিদ্যালয়ে ২০২৩-২০২৪ শিক্ষাবৰ্ষৰ পৰা প্ৰৱৰ্ত্তন কৰা
চাৰি বছৰীয়া স্নাতক মহলাৰ পাঠ্যক্ৰম (FYUGP) ৰ অন্তৰ্গত দক্ষতা বৃদ্ধি
পাঠ্যক্ৰম (AEC-1) ৰ বাবে প্ৰস্তুত কৰা প্ৰসংগ পুথি

# অসমীয়া ভাষাৰ কৌশল আৰু দক্ষতা বিকাশ

স্নাতক প্ৰথম ষাণ্মাসিক AECASMI-4 ক্ৰেডিট (কলা, বাণিজ্য আৰু বিজ্ঞান)



সম্পাদনা ঃ
ড° প্ৰণৱ ফুকন
প্ৰতিম শইকীয়া

- *No part of this book may be reproduced in any form or by any means without prior written permission of the author & the publisher.*
- *The Author & the Publisher have made every effort to provide authentic, accurate & upto-date matter in this book. However they do not take any legal responsibility for any misrepresentations or errors inadvertently overlooked.*



প্ৰকাশক ঃ

পাৰ্থ প্ৰতীম দাস
শান্তি পুস্তকালয়
সৰুপথাৰ - ৭৮৫৬০১
গোলাঘাট, অসম



গ্ৰন্থস্বত্ব ঃ সম্পাদকদ্বয়



প্ৰথম প্ৰকাশ ঃ আগষ্ট, ২০২৩

ISBN : 978-93-92483-06-6

মূল্য ঃ ২৩০.০০ ( টকা) মাত্ৰ

অক্ষৰ বিন্যাস ঃ ড° প্ৰণৱ ফুকন
শ্ৰীঅশোক চাহা

মুদ্ৰণ ঃ শিৱানী গ্ৰাফিক্স
গুৱাহাটী-২২

# ক্ৰমসূচী.....


| | | |
|---|---|---|
| ❊ **অসমীয়া ভাষাৰ কথন আৰু লেখন কৌশল** | | |
| ◆ উচ্চাৰণৰ স্পষ্টতা আৰু শুদ্ধতা ... | মালামণি গোস্বামী | ৯ |
| ◆ সাময়িক বিবৃতি ... | ড° ৰত্নজিৎ গগৈ | ১৬ |
| ◆ শব্দপ্ৰয়োগ আৰু বক্তৃতা | ড° মালা হাজৰিকা | ২৩ |
| ◆ অসমীয়া ভাষাৰ শব্দ প্ৰয়োগ ... | ধ্ৰুৱজ্যোতি কোঁৱৰ | ৩৪ |
| ◆ বাক্য গাঁথনি ... | ধ্ৰুৱজ্যোতি কোঁৱৰ | ৪৫ |
| ◆ আখৰ জোঁটনি আৰু শব্দগঠন ... | ধ্ৰুৱজ্যোতি কোঁৱৰ | ৬০ |
| ◆ জতুৱা প্ৰয়োগ ... | ড° প্ৰণৱ ফুকন | ৭৭ |
| ◆ ভাল লেখনৰ বৈশিষ্ট্য ... | দিপুমণি গগৈ | ৮১ |
| ❊ অসমীয়া ভাষাৰ ব্যৱহাৰিক প্ৰয়োগ -১ | | |
| ◆ আবেদন পত্ৰ লিখন, কাৰ্যবিৱৰণি লেখন, স্মাৰক পত্ৰ লেখন ... | মালামণি গোস্বামী | ৯৩ |
| ◆ নিমন্ত্ৰণী পত্ৰ, বিজ্ঞাপন, প্ৰতিবেদন... | প্ৰতিম শইকীয়া | ১২৬ |
| ❊ অসমীয়া ভাষাৰ ব্যৱহাৰিক প্ৰয়োগ -২ | | |
| ◆ বিদ্যায়তনিক প্ৰবন্ধ ৰচনা ... | ৰিংকুমণি গগৈ | ১৪৪ |
| ◆ সাহিত্য পাঠৰ সমালোচনা ... | দিপুমণি গগৈ | ১৫০ |
| ❊ নিৰ্বাচিত পাঠৰ আধাৰত ভাষা -সাহিত্যৰ বোধগম্যতা | | |
| ◆ যতীন্দ্ৰনাথ দুৱৰাৰ 'মোৰ শেষ পাঠ' ... | ডেইজী বুঢ়াগোহাঁই | ১৬০ |
| ◆ হেম বৰুৱাৰ 'ভাৰতীয় সংস্কৃতি' ... | অঞ্জুমণি নাথ | ১৬৭ |
| ◆ ড° হীৰেন গোহাঁইৰ 'মানুহ শংকৰদেৱ' ... | ড° ৰত্নজিৎ গগৈ | ১৭৫ |
| ◆ 'অসমীয়া চাহৰ আতি-গুৰি' ... | কাকলি চুতীয়া | ১৭৯ |
| ◆ 'অসমীয়া বৈজ্ঞানিক পৰিভাষা' ... | ড° দ্বীপশিখা কলিতা | ১৮৬ |

# উচ্চাৰণৰ স্পষ্টতা আৰু শুদ্ধতা

মালামণি গোস্বামী

উচ্চাৰণৰ স্পষ্টতা আৰু বিশুদ্ধতাইহে যোগাযোগ মাধ্যমক ফলপ্রসূতা প্রদান কৰে। মৌখিক যোগাযোগৰ বাবে বক্তাই প্ৰেৰণ কৰা কোনো বাৰ্তা, তথ্য, ভাব আদি শুদ্ধ আৰু স্পষ্ট ৰূপত ধ্বনিত হ'লেহে বক্তাৰ ভাৱ প্ৰেৰণৰ উদ্দেশ্য সাৰ্থক হয়। বক্তাৰ স্বৰতন্ত্ৰীৰ কম্পন, স্বৰ নিয়ন্ত্ৰণেও উচ্চাৰণত স্পষ্টতা আনে। কথোপকথনত উচ্চাৰণৰ শুদ্ধতা আৰু স্পষ্টতাইহে বক্তাৰ কথন ভংগীক প্ৰভাৱশালী কৰি তোলে। উচ্চাৰণ হৈছে শব্দ, বাক্য, ভাষাৰ সহায়ত বক্তাই শ্ৰোতাৰ লগত মৌখিক যোগাযোগ স্থাপন বা ভাৱ বিনিময়ৰ বাবে মুখেৰে ধ্বনিত কৰা বাগধ্বনিৰ সমষ্টি। মানুহে মনৰ ভাব প্ৰকাশ কৰিবলৈ বাগিন্দ্ৰিয়ৰ দ্বাৰা উচ্চাৰণ কৰা ধ্বনিৰ সহায়ত শব্দৰ সৃষ্টি কৰে। এই শব্দবোৰ একোটা বিশেষ ৰূপত বা একোটা বিশেষ ক্ৰমত উচ্চাৰিত হয়। অৰ্থ বা ভাবক আশ্ৰয় কৰি শব্দবোৰক এক সম্বন্ধেৰে ইটোৰ লগত সিটোৰ বান্ধ খুৱাই বাক্য সজা হয়। এইদৰে গঠন কৰা বাক্যৰ জৰিয়তে বক্তাই উচ্চাৰণৰ দ্বাৰা শ্ৰোতাৰ আগত মনৰ ভাব প্ৰকাশ কৰে। গতিকে যি প্ৰক্ৰিয়াৰে আমি শব্দ, বাক্য, ভাষাৰ দ্বাৰা ভাৱ-অনুভূতি প্ৰকাশ কৰোঁ, ভাৱ-বিনিময় কৰোঁ সেই প্ৰক্ৰিয়াকেই আমি উচ্চাৰণ বুলি বুজোঁ। ভাৱ-বিনিয়ম অৰ্থাৎ যোগাযোগ প্ৰক্ৰিয়াৰ উপাদানবোৰ হ'ল প্ৰধানতঃ ভাষিক আৰু ভাষাভিন্ন। শব্দ, বাক্য, ভাষা আদি হ'ল ভাষিক বা মৌখিক উপাদান। আনহাতে মুখ, চকু, চেলাউৰি, হাত, বাহু আদি হ'ল ভাষাভিন্ন উপাদান। এই উপাদানবোৰৰ সহযোগত কোনো এটা কথা প্ৰেৰণ কৰা, লাভ কৰা অথবা আনৰ লগত কোনো সূচনাৰ, ধাৰণাৰ, বিষয়ৰ, অনুভৱৰ বিনিময় কাৰ্যটোকে যোগাযোগ বোলা হয় (নীৰাজনা মহন্ত, যোগাযোগ কলা, পৃ-১)। যোগাযোগৰ ইংৰাজী প্ৰতিশব্দ হ'ল 'Communication'। 'Communication' শব্দটো লেটিন ভাষাৰ 'communico' শব্দৰ পৰা আহিছে। লেটিন ভাষাৰ এই শব্দটোৰ অৰ্থ হ'ল—